समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ১০

প্ৰত্যাহ্বান

অংশ - ৩

অংগৰাগ ভূঞা

অনুশীলনী

ক- পাঠভিত্তিক ক্রিয়া

১। পাঠটোৰ তিনিওটা খণ্ড মনোযোগেৰে পঢ়া আৰু তলৰ প্ৰশ্নবিলাকৰ উত্তৰ দিয়া।

(ক) সৰুকালত প্ৰিন্সি গগৈয়ে ওচৰ-চুবুৰীয়া আৰু সমাজৰ পৰা কেনে ব্যৱহাৰ পাইছিল?

(ক) সৰুকালত প্ৰিন্সি গগৈয়ে ওচৰ-চুবুৰীয়া আৰু সমাজৰ পৰা কেনে ব্যৱহাৰ পাইছিল?

উত্তৰঃ সৰুকালত প্ৰিন্সি গগৈয়ে ওচৰ-চুবুৰীয়া আৰু সমাজৰ পৰা সহমৰ্মিতা পাইছিল আৰু কিছুমানে তেওঁক অমংগলীয়া বুলি গণ্য কৰিছিল।

(খ) বিদ্যালয়ত নাম ভর্তি কৰোঁতে প্ৰিন্সি গগৈ কি সমস্যাৰ সন্মুখীন হৈছিল?



(খ) বিদ্যালয়ত নাম ভর্তি কৰোঁতে প্ৰিন্সি গগৈ কি সমস্যাৰ সন্মুখীন হৈছিল?

উত্তৰঃ বিদ্যালয়ত নামভর্তি কৰিবলৈ যাওঁতে প্ৰিন্সি গগৈক এখন বিদ্যালয়ে নামভর্তি কৰিবলৈ দিয়া নাছিল। পিছত সোণাৰিৰ ৰজাটপ প্ৰাথমিক বিদ্যালয়ে তেওঁক নামভর্তি কৰাৰ সুবিধা দিছিল।

(গ) পঢ়া-শুনাৰ লগতে প্ৰিন্সি গগৈৰ কি কি বিষয়ত ৰাপ আছে?



(গ) পঢ়া-শুনাৰ লগতে প্ৰিন্সি গগৈৰ কি কি বিষয়ত ৰাপ আছে?

উত্তৰঃ পঢ়া – শুনাৰ লগতে প্ৰিন্সি গগৈৰ ছবি আঁকা আৰু গান গোৱাত ৰাপ আছে।

(ঘ) দুৰ্ঘটনাত পতিত হোৱাৰ পাছত জুলী বৰুৱাৰ মনত কি ভাব জাগি উঠিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

হতাশা

(ঘ) দুর্ঘটনাত পতিত হোৱাৰ পাছত জুলী বৰুৱাৰ মনত কি ভাব জাগি উঠিছিল?

উত্তৰঃ দুর্ঘটনাত পতিত হোৱাৰ পাছত জুলী বৰুৱাৰ মনত হতাশ ভাব জাগি উঠিছিল। সীমাহীন বিষাদ – বেদনাই তেওঁক আৱৰি ধৰিছিল।

(ঙ) সংগ্রামজ্যোতিয়ে ক'ত চিত্রকলাৰ প্রাৰম্ভিক শিক্ষা লাভ কৰিছিল?



(ঙ) সংগ্রামজ্যোতিয়ে ক'ত চিত্রকলাৰ প্রাৰম্ভিক শিক্ষা লাভ কৰিছিল?

উত্তৰঃ সংগ্রামজ্যোতিয়ে গুৱাহাটীৰ আর্টিষ্ট গীল্ড'ত চিত্রকলাৰ প্রাৰম্ভিক শিক্ষা লাভ কৰিছিল।

(চ) সংগ্রামজ্যোতি কি বিষয়ত পাৰদর্শী?




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(চ) সংগ্রামজ্যোতি কি বিষয়ত পাৰদর্শী?

উত্তৰঃ সংগ্রামজ্যোতি চিত্রাংকন বিষয়ত পাৰদর্শী।



(ছ) 'আপোনাৰ দৰে মোৰো দুখন হাত আছিল'- কবিতাটি কোনে ৰচনা কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



(ছ) 'আপোনাৰ দৰে মোৰো দুখন হাত আছিল'- কবিতাটি কোনে ৰচনা কৰিছিল?


উত্তৰঃ 'আপোনাৰ দৰে মোৰো দুখন হাত আছিল' কবিতাটি জুলী বৰুৱাই ৰচনা কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। উত্তৰ লিখা।

(ক) কোনখন বিদ্যালয়ে প্রিন্সি গগৈক আঁকোৱালি লৈছিল?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২। উত্তৰ লিখা।

(ক) কোনখন বিদ্যালয়ে প্ৰিন্সি গগৈক আঁকোৱালি লৈছিল?

উত্তৰঃ ৰজাটাপ প্ৰাথমিক বিদ্যালয়ে প্ৰিন্সি গগৈক আঁকোৱালি লৈছিল।

(খ) 'এজোপা বৰগছ হৈ ছাঁ দিব বিচাৰোঁ'।
— ইয়াত জুলি বৰুৱাই কাক আৰু কিয় ছাঁ দিব বিচাৰিছে?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation




(খ) 'এজোপা বৰগছ হৈ ছাঁ দিব বিচাৰোঁ'।
— ইয়াত জুলি বৰুৱাই কাক আৰু কিয় ছাঁ দিব বিচাৰিছে?

উত্তৰঃ ইয়াত জুলি বৰুৱাই প্ৰিন্সি গগৈক ছাঁ দিব বিচাৰিছে অৰ্থাৎ, তেওঁলোকৰ বাবে অন্ন, বস্ত্ৰ আৰু আৱাস নিশ্চিত কৰাৰ সপোন দেখিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। সংগ্ৰামজ্যোতিয়ে বৰ্ণময় আৰু প্ৰাণৱন্ত ৰূপত চিত্ৰ অংকন কৰি নিজে কেনেকৈ সফলতা অৰ্জন কৰিলে সেই বিষয়ে লিখা।



সংগ্রামজ্যোতিয়ে চিত্রকলাৰ প্রতি আগ্রহী হৈ গুৱাহাটীৰ আর্টিষ্ট গীল্ড'ৰ পৰা পাঁচ বছৰীয়া ডিপ্লমা লাভ কৰাৰ পাছত নিজাবৰীয়াকৈ 'চিত্রাংকন কলা কেন্দ্র' খুলি তাত ব্যস্ত হৈ পৰে । তেওঁ এখনৰ পাছত আন এখন চিত্র বর্ণময় আৰু প্রাণৱন্ত ৰূপত অংকন কৰি নিজৰ বিৰল প্রতিভাৰ পৰিচয় দিয়ে । তেওঁ সর্বভাৰতীয় পর্যায়ৰ বিভিন্ন চিত্রাংকন প্রতিযোগিতাত অংশ গ্রহণ কৰি অনেক বঁটা পাবলৈ সক্ষম হৈছে । ইয়াৰ লগতে তেওঁ আন্তঃৰাষ্ট্রীয় পর্যায়তো বিশেষকৈ জাপান, ফ্রান্স আদি দেশত সমাদৰ পাবলৈ সক্ষম হৈছে ।

Under CSR Support by
ipca | Foundation

খ-ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৪। বিপৰীতার্থক শব্দ লিখা।

এন্ধাৰ,
সফল,
স্বাভাৱিক,
জাগ্রত,
অমংগল,
সক্ষম,
আনুষ্ঠানিক।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ



এন্ধাৰ	→	পোহৰ
সফল	→	বিফল
স্বাভাৱিক	→	অস্বাভাৱিক
জাগ্রত	→	সুপ্ত, নিদ্রিত
অমংগল	→	মংগল
সক্ষম	→	অক্ষম
আনুষ্ঠানিক	→	অনানুষ্ঠানিক।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। যুৰীয়া শব্দবোৰ পাঠৰ পৰা বিচাৰি লিখা।




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

৫। যুৰীয়া শব্দবোৰ পাঠৰ পৰা বিচাৰি লিখা।

উত্তৰঃ মুখা-মুখি, বাধা-বিবাদ, বাধা-বিঘিনি, বিষাদ-বেদনা, ধোঁৱা- কোৱা, লেখা-মেলা, কলা- কীর্তি, গতি-পথ।



৬। বাক্য ৰচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

আনুষ্ঠানিক –তেওঁলোকে এখন **আনুষ্ঠানিক** সভাৰ আয়োজন কৰিছিল।

গতিপথ – সৌৰজগতৰ গ্ৰহ – নক্ষত্ৰবোৰে নিজ নিজ **গতিপথৰে** গতি কৰি আছে।

প্ৰচেষ্টা – মহাকাশলৈ উন্নতমানৰ যান পঠিয়াবলৈ বিজ্ঞানীসকলে কঠোৰ **প্ৰচেষ্টা** চলাই আছে।

যন্ত্ৰণা – ৰোগীজনে বহুত **যন্ত্ৰণাত** ভূগিছে।


কৰ্তব্য – বুঢ়া বয়সত সন্তানে মাক – দেউতাকৰ প্ৰতি দায়িত্ব লোৱাটো এক বিশাল **কৰ্তব্য**।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

গ-জ্ঞান সম্প্রসাৰণ

৭। আত্মবিশ্বাসে যে মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে সেই কথা পাঠৰ সহায়ত বুজাই লিখা।




আত্মবিশ্বাস থাকিলে মানুহে হাজাৰ বিপদ, হাজাৰ সমস্যাকো সহজে অতিক্রম কৰি এটি সুন্দৰ, সফল জীৱন অতিবাহিত কৰিব পাৰে । পাঠত তিনিগৰাকী দিব্যাংগৰ উদাহৰণে এই কথা প্রতিপন্ন কৰিছে।

প্রিন্সি গগৈৰ জন্মৰে পৰাই দুয়াখন হাতেই নাছিল । ইয়াকে দেখি বহুতেই তেওঁক অমংগলীয়া বুলি গণ্য কৰিছিল । ইমানবোৰৰ মাজতো গগৈয়ে জীয়াই থকাৰ সপোন দেখিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সেইমর্মে একমাত্র আত্মবিশ্বাসৰ বলতেই ভৰিৰে লিখিবলৈ লৈ তেওঁ উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি আছে।



সেইদৰে জুলীৰুৱাই পঢ়ি থকা অৱস্থাতে দুর্ঘটনাত দুয়োখন হাত হেৰুৱাই প্রথমতে হতাশাত ভাগি পৰিছিল যদিও একমাত্র আত্মবিশ্বাসত দৃঢ় থাকি কৃত্রিম হাতেৰে পঢ়া শুনা কৰি বর্তমান অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগত সহকাৰী গৱেষণ বিষয়া হিচাপে কাম কৰি আছে।

সংগ্রামজ্যোতি চৌধুৰী এজন মূকবধিৰ ব্যক্তি। ইয়াৰ বাবে তেওঁ হতাশ নহৈ চিত্রাংকন বিদ্যাত একাণপতীয়াকৈ লাগি অসমতে নহয় ভাৰত তথা আন্তঃৰাষ্ট্রীয় পর্যায়ত সুনাম অর্জন কৰিবলৈ সক্ষম হৈছে। এয়া সম্ভৱ হৈছে একমাত্র নিজৰ ওপৰত থকা আত্মবিশ্বাস, আত্ম প্রত্যয়। বিশ্বত এনে উদাহৰণ অনেক আছে।


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দিব্যাংগসকলৰ সৰ্বাংগীণ উন্নতিৰ বাবে অসম, সৰ্বশিক্ষা অভিযান মিছনে লোৱা কেইটামান পদক্ষেপৰ বিষয়ে উল্লেখ কৰা হ'ল—

- দিব্যাংগ বা বিশেষভাৱে সক্ষম শিশু চিনাক্তকৰণ
- বিদ্যালয়ত নামভর্তি কৰণ
- সমল শিক্ষক নিয়োগ
- বিশেষভাৱে সক্ষম ছাত্রীক বৃত্তি প্রদান

- দৃষ্টি বাধাগ্রস্তসকলৰ বাবে ব্রেইল পাঠ্যপুথি, ব্রেইল শিক্ষণ-শিকন সামগ্রী যোগান
- সহায়ক সা-সঁজুলি, যেনে- শ্ৰৱণযন্ত্র, হুইল চেয়াৰ, তিনিচকীয়া চাইকেল, ফেন ইত্যাদি বিতৰণ।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation




প্রিন্সি, জুলী আৰু সংগ্রামজ্যোতিৰ দৰে শিলচৰৰ উদাৰবন্দৰ পংকজ চক্ৰৱৰ্তীও তেনে এজন দিব্যাংগ লোক। দৃষ্টিহীন যদিও তেখেত একেধাৰে সুৰকাৰ, গীতিকাৰ আৰু গায়ক।

তেখেতে 'নজৰুল মেমোৰিয়েল মিউজিক একাডেমি' প্রতিষ্ঠা কৰি ছাত্র-ছাত্রীসকলক সাংস্কৃতিক দিশত আগবঢ়াই নিয়াত আগভাগ লৈছে।

সংগীতক পেছা আৰু নিচা হিচাপে লোৱা পংকজ চক্ৰৱৰ্তীয়ে 'কবি সুৰদাস সন্মান' লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ মাননীয় ৰাজ্যপালে তেখেতক এই সন্মান প্ৰদান কৰে।

৮। বিশেষভাৱে সক্ষম বা দিব্যাংগসকলৰ প্ৰতি থকা অৱহেলাৰ মনোভাব আঁতৰ কৰিবলৈ তুমি কি কি কৰিবা লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। বিশেষভাৱে সক্ষম বা দিব্যাংগসকলৰ প্ৰতি থকা অৱহেলাৰ মনোভাব আঁতৰ কৰিবলৈ তুমি কি কি কৰিবা লিখা।

উত্তৰঃ দিব্যাংগ বা বিশেষভাৱে সক্ষমসকল সমাজৰে অংগ আৰু সমাজত জীয়াই থকাৰ তেওঁলোকৰো অধিকাৰ আছে। তেওঁলোক সাধাৰণ মানুহৰ দৰে সক্ষম নহ'লেও বিশেষ এক ধৰণে সক্ষম আৰু আত্মবিশ্বাসেৰে কৰ্ম কৰি জীয়াই থাকে। সেয়ে এনে লোকক মই যথেষ্ট আদৰ আৰু সন্মান কৰো।

কেইটামান জানিবলগীয়া কথা

- ৩ ডিচেম্বৰত 'আন্তর্জাতিক অক্ষম-ব্যক্তিৰ দিৱস' পালন কৰা হয়।
- '১৯৯৫ চনৰ আইন' অনুসৰি বিশেষভাৱে সক্ষম ব্যক্তিয়ে আন ব্যক্তিৰ সমানে সুযোগ, সুৰক্ষা, অধিকাৰ লাভ কৰিব আৰু সকলোতে অংশগ্রহণ কৰিব পাৰিব।
- ৩% ভূমি বিশেষভাৱে সক্ষম ব্যক্তিৰ বাবে সংৰক্ষিত থাকিব।

- ৮০% শতাংশতকৈ অধিক অক্ষমতা থকা ১৮ বছৰৰ উৰ্দ্ধৰ লোকৰ বাবে 'ইন্দিৰা গান্ধী জাতীয় অক্ষমতা পেন্সন আঁচনি'ৰ ব্যৱস্থা কৰা হৈছে।
- '২০০৬ বিশেষভাৱে ৰাষ্ট্ৰীয় সক্ষম লোকৰ সুৰক্ষা নীতি' অনুসৰি অক্ষমতাৰ প্ৰতিৰোধ, সুৰক্ষাৰ উপায়, অক্ষম নাৰী আৰু শিশু আদিৰ সংস্থাপন আৰু সুৰক্ষাৰ ব্যৱস্থা লোৱা হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ঘ - প্ৰকল্প

৯। ধৰা, তোমাৰ বিদ্যালয়ত ছাত্ৰ এজনে ৰাষ্ট্ৰীয় পৰ্যায়ত সংগীত প্ৰতিযোগিতাত পুৰস্কৃত হৈছে। তেওঁৰ এই সফলতাৰ কথা জানিবলৈ তুমি তেওঁৰ সাক্ষাৎকাৰ কেনেকৈ ল'বা তাৰে এটা আৰ্হি প্ৰস্তুত কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। শিক্ষা-দীক্ষা, খেলা-ধূলা, সৃষ্টিশীল সাহিত্য, ছবি আঁকা আদিত পাৰদর্শিতা দেখুওৱা দিব্যাংগ লোকৰ তথ্য সংগ্রহ কৰি শ্রেণীকোঠাত পঢ়ি শুনোৱা।

এওঁলোকৰ লগত আমিও সহযোগ কৰোঁ আহা -



